بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ نَحْمَدُهٗ وَنُصَلِّی عَلٰی رَسُوْلِهِ الْکَرِیْمِ وَعَلٰی عَبْدِهِ الْمَسِیْحِ الْمَوْعُوْدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৯ চনৰ ১৯ জুলাইত মছজিদ বায়তুল ফতুহ মৌৰডন বৃটেইনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ,তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে জুমাত বদৰি চাহাবা সকলৰ বিষয়ে উল্লেখ কৰা হব। ইয়াৰে প্ৰথমজন চাহাবী হল হজৰত আমৰ বিন ছালমি (ৰাঃ)। বালিয়া কবিলাৰ সৈতে এখেত (ৰাঃ) ৰ সম্পৰ্ক আছিল। সেয়ে এখেতক আমৰ বিন ছালমাতা বুলিও কোৱা হয়। হজৰত আমৰ আনছাৰ সকলৰ বন্ধু আছিল। হজৰত আমৰ (ৰাঃ) য়ে বদৰৰ যুদ্ধ আৰু অহুদৰ যুদ্ধত যোগদান কৰাৰ সৌভাগ্য লাভ কৰিছিল।

আন এজন চাহাবীৰ নাম আছিল হজৰত আব্দুল্লাহ বিন ছুৰাকা। কুৰাইছৰ কবিলা বণু আদিৰ সৈতে এখেত (ৰাঃ)ৰ সম্পৰ্ক আছিল। উক্ত কবিলাটো হজৰত উমৰ বিন খাত্তাবৰ কবিলা আছিল। হজৰত আব্দুল্লাহ বিন ছুৰাকাৰ পুৰুষাণু ক্ৰমে পাচঁ পুৰুষত গৈ কাআব নামৰ ব্যাক্তিজন গৈ হজৰত নবী কৰিম (ছাঃ) ৰ বংশ বৃক্ষত মিলিত হৈ পৰিছে।

হজৰত আব্দুল্লাহ বিন ছুৰাকা নিজৰ ভাই উমৰুৰ সৈতে মক্কাৰ পৰা মদিনালৈ হিজৰত কৰিছিল। মদিনাত গৈ হজৰত ৰুফাআ বিন আব্দুল মনজৰৰ ঘৰত অৱস্থান কৰিছিল। হজৰত আব্দুল্লাহ বিন ছুৰাকা হজৰত উচমান (ৰাঃ) ৰ খিলাফত কালত ৩৫ হিজৰিত মৃত্যুবৰণ কৰিছিল। হজৰত আব্দুল্লাহ বিন ছুৰাকা (ৰাঃ) ৰ পৰা বৰ্ণিত আছে যে নবী কৰিম (ছাঃ) য়ে কৈছে "তাছাহ-হাৰু ওয়া লাও বিল মা-ই"। অৰ্থ্যাৎ ছেহেৰী খাবা, সেয়া পানীয়ে নহওঁক কিয় ! মানে হল (ৰোজাৰ নিমিত্তে) ছেহেৰী খোৱা বাধ্যতামূলক কৰিছে।

ইয়াৰ পিছত আন এজন চাহাবী হল হজৰত মালিক বিন আবু খত্তলি (ৰাঃ)। হজৰত মালিক বিন আবু খত্তলি (ৰাঃ) ৰ কবিলা বণু আজলৰ সৈতে সম্পৰ্ক আছিল। হজৰত খত্তলি (ৰাঃ) য়ে নিজৰ দুই ভাই হজৰত বিলাল (ৰাঃ) আৰু হজৰত আব্দুল্লাহ (ৰাঃ) ক লগত লৈ বদৰৰ যুদ্ধত অংশগ্ৰহন কৰিছিল। হজৰত উচমান (ৰাঃ) ৰ খিলাফত মালিক বিন আবু খত্তলি (ৰাঃ) ৰ মৃত্যু হৈছিল।

হজৰত ওয়াকিত নামৰ আব্দুল্লাহ নামৰ এজনী চাহাবী আছিল। এখেত (ৰাঃ) য়ে বণু তামিম কবিলাৰ লোক আছিল। এখেত (ৰাঃ) য়ে হজৰত আবু বক্কৰ (ৰাঃ) ৰ তবলিগৰ ফলত ইছলাম গ্ৰহন কৰিছিল। হজৰত ওয়াকিদ বিন আব্দুল্লাহ হজৰত নবী কৰিম (ছাঃ) ৰ দ্বাৰে আৰকমলৈ যোৱাৰ আগত ইছলাম গ্ৰহন কৰিছিল। হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে ইয়াতে মই দ্বাৰে আৰকম সম্পৰ্কে চমু বিৱৰণ আগবঢ়াইছো, এয়া যে আঁহজৰত (ছাঃ) ৰ যেতিয়া এয়া ধাৰণ উপজিছিল যে মক্কাত এটা তবলিগি কেন্দ্ৰ প্ৰতিষ্ঠা কৰা যাওঁক, যত মুছলমান সকলে গোট খাব পাৰে, নমাজ পঢ়াৰ নিমিত্তে আহিব পাৰে আৰু বাধা-বিঘ্ন এৰাই শান্তিৰে নিজৰ শিক্ষা তৰবিয়তৰ বাবে আঁহজৰত (ছাঃ) ৰ কাষত আহি পৰামৰ্শ লৰ পাৰে। ইয়াৰ উপৰি ইছলামৰ তবলিগ যাতে নিৰ্বিঘ্নে কৰিব পাৰে। যিয়েই নহওঁক এই উদ্দেশ্য এখন ঘৰৰ প্ৰয়োজন, সেয়ে আঁহজৰত (ছাঃ) য়ে এজন নতুনকৈ হোৱা মুছলমান আৰকম বিন আবি আৰকামৰ ঘৰ পছন্দ কৰিছিল, যি কোহে চাফাৰ কাষতে অৱস্থিত আছিল। ইয়াৰে পিছৰে পৰা মুছলমান সকলে ইয়াতে আহি গোট খাইছিল, ইয়াতেই নমাজ পঢ়িছিল আৰু সেই সকল লোকক, যি সকলে সত্যৰ অনুসন্ধান কৰিছিল, যেতিয়া তেওঁলোকে আহি আঁহজৰত (ছাঃ) ক লগ ধৰিছিল তেতিয়া তেখেত (ছাঃ) য়ে ইয়াতে ইছলামৰ তবলিগি আলোচনা পাতিছিল। এইবোৰ কাৰণতেই এই ঘৰখন ইছলামী ইতিহাসত প্ৰসিদ্ধ হৈ আছে আৰু ইয়াক দ্বাৰোল ইছলাম নামেৰে জনা যায়। আঁহজৰত (ছাঃ) য়ে প্ৰায় তিনি বছৰ কাল দ্বাৰে আৰকমত ইছলামৰ সকলো কাম কৰিছিলি। ইতিহাসবিদ লিখিছে যে এই দ্বাৰে আৰকমত শেষজন ইছলামী গ্ৰহনকাৰী আছিল হজৰত উমৰ (ৰাঃ), যিজনৰ ইছলাম গ্ৰহনত মুছলমান সকলে বহুখিনি শক্তি লাভ কৰিছিল আৰু দ্বাৰে আৰকমৰ পৰা ওলাই মুকলি ইছলামৰ তবলিগ কৰিবলৈ আৰম্ভ কৰিছিল। হজৰত ওয়াকিদ (ৰাঃ) য়ে হজৰত উমৰ (ৰাঃ) ৰ লগত মক্কাৰ পৰা মদিনালৈ হিজৰত কৰিছিল। মদিনাত গৈ উপস্থিত হোৱাৰ পিছত এখেত (ৰাঃ) য়ে হজৰত ৰুফাআ বিন আব্দুল মনজৰৰ ঘৰত অৱস্থান কৰিছিল। হজৰত

ওয়াকিদ (ৰাঃ) য়ে হজৰত উমৰ (ৰাঃ) ৰ খিলাফত আৰম্ভ হোৱাৰ কিছুদিন পিছতেই মৃত্যুবৰণ কৰিছিল।

ইয়াৰ পিছত যিজন চাহাবীৰ বিষয়ে উল্লেখ কৰিম তেখেতৰ নাম আছিল হজৰত নাছেৰ বিন হাৰিছ (ৰাঃ)। এখেত (ৰাঃ) য়ে আনছাৰ কবিলা আউচ গোত্ৰৰ বণু আবিদ বিন ৰাজ্জাকৰ সম্পৰ্কীয় আছিল। এখেতৰ দেউেতাকৰ নাম হাৰিছ বিন আবিদ আৰু মাকৰ নাম ছউদা বিনতে ছোৱাদ আছিল। হজৰত হাৰিছ বিন আবিদ (ৰাঃ) য়েও আঁহজৰত (ছাঃ) ৰ চাহাবী হোৱাৰ সৌভাগ্য লাভ কৰিছিল। হজৰত নাছেৰ (ৰাঃ) কাদছিয়াৰ যুদ্ধত শ্বাহাদত বৰণ কৰিছিল। চন ১৪ হিজৰিত হজৰত উমৰ (ৰাঃ) ৰ খিলাফত কালত মুছলমান আৰু ইৰাণী সকলৰ মাজত এই কাদছিয়া নামৰ ঠাইত যুদ্ধ সংগঠিত হৈছিল। যাৰ ফলাফলত গৈ ইৰাণী শাসনভাৰ মুছলমান সকলৰ হস্তগত হৈছিল।

ইয়াৰ পিছত আন এজন চাহাবীৰ নাম হল হজৰত মালিক বিন উমৰু (ৰাঃ)। কবিলা বণু ছালিমৰ গোত্ৰ বণু হিজৰৰ সৈতে এখেত (ৰাঃ) ৰ সম্পৰ্ক আছিল। এখেতৰ দেউতাকৰ নাম আছিল উমৰু বিন ছুমিদ। হজৰত মালিক (ৰাঃ)য়ে নিজৰ দুজন ভায়েক হজৰত ছাকিফ বিন উমৰু আৰু হজৰত মদলুজ বিন উমৰু (ৰাঃ)ক লগত লৈ বদৰৰ যুদ্ধত অংশ গ্ৰহন কৰিছিল। এখেত (ৰাঃ) য়ে ইমামাৰ যুদ্ধত শ্বহীদ হৈছিল।

আকৌ আন এজন চাহাবী আছিল হজৰত নুমান বিন আচৰ (ৰাঃ)। কবিলা বালিয়াাৰ সৈতে এখেত (ৰাঃ)ৰ সম্পৰ্ক আছিল। হজৰত নুমান বিন আচৰ বয়াতে উকবা, বদৰৰ যুদ্ধ আৰু এনেদৰে বাকী সকলো যুদ্ধত ৰছুলে কৰিম (ছাঃ)ৰ পক্ষে যোগ দি যুদ্ধ কৰিছিল। ইমামাৰ যুদ্ধত হজৰত নুমান বিন আচৰ (ৰাঃ) য়ে শ্বাহাদত বৰণ কৰিছিল।

আকৌ যিজন চাহাবীৰ বিষয়ে উল্লেখ কৰিম তেখেতৰ নাম হল হজৰত আওয়েম বিন ছাআদাহ (ৰাঃ)। হজৰত আওয়েম বিন ছাআদাহ (ৰাঃ)ৰ কবিলা আউচৰ শাখা বণু উমৰু বিন আউফৰ সৈতে সম্পৰ্ক আছিল। এখেত (ৰাঃ) য়ে বয়াতে উকবা প্ৰথম আৰু দ্বিতীয়ত অংশগ্ৰহন কৰিছিল। ছিৰাত (জীৱনী) খাতামান্নাবীঈনত লিখা আছে যে বয়াতে উকবা প্ৰথমৰ আগত মদিনাৰ আনছাৰ সকলৰ এটা দল নবী কৰিম (ছাঃ) ৰ ওপৰত ঈমান আনয়ন কৰিছিল। এই লোক সকলৰ মাজত হজৰত আওয়েম বিন ছাআদাও আছিল। হজৰত আব্দুল্লাহ বিন জাবিৰ (ৰাঃ) য়ে বৰ্ণনা কৰিছে যে তেখেত ৰছুলে পাক (ছাঃ)ক কওঁতে শুনিছে যে আওয়েম বিন ছাআদাহ আল্লাহৰ ভৃত্যৰ ভিতৰত কিমান যে উত্তম ভৃত্য আৰু তেওঁ জঙ্গী সকলৰে এজন। আন এটা ৰোৱায়েত অনুসৰি যেতিয়া এই আয়াত অৱতীৰ্ণ হৈছিল যে "ফিহি ৰিজালুই ইউহিব বুনা আইয়া তাতাহহাৰু ওয়াল্লাহু ইউহিববুল মুতাত্ত্বাহিৰিন" তেতিয়া ৰছুলুল্লাহ (ছাঃ) য়ে কৈছিল যে আওয়াত্ৰাম বিন ছাআদাহ কেনে উত্তম ব্যাক্তি, তেওঁ এই লোক সকলৰ অন্তৰ্ভূক্ত।

হজৰত আত্তয়েম বিন ছাআদাহ বদৰৰ যুদ্ধৰ পৰা লৈ সকলো যুদ্ধতে ৰছুলুল্লাহ (ছাঃ)ৰ লগত যোগ দি ৰণ ভূমিত উপস্থিত থাকিছিল। আছিম বিন ছোৱাদে বৰ্ণনা কৰিছে যে "মই হজৰত আওয়েম বিন ছাআদাৰ জীয়েক উবেদাহ (ৰাঃ) ক এয়া কওঁতে শুনিছো যে হজৰত উমৰ বিন খাত্ত্বাব (ৰাঃ) যেতিয়া হজৰত আওয়েম বিন ছাআদাহ (ৰাঃ) কবৰৰ ওচৰত গৈ থিয় হৈছিল। তেতিয়া তেখেত (ৰাঃ) য়ে এয়া কৈছিল যে জগতত এয়া কোনোয়েও কব নোৱাৰে যে তেওঁ এই কবৰস্ত ব্যাক্তিজনতকৈ উত্তম। ৰছুলুল্লাহ (ছাঃ) ৰ বাবে যি পতাকা উত্তোলন কৰা হৈছিল, আওয়েম তাৰ ছায়া তলতেই বিদ্ধমান থাকিছিল। অহুদৰ যুদ্ধত হাৰিছ বিন ছোৱেদে হজৰত মজ্জৰ বিন জিয়াদে জাহিলিয়তৰ (মূৰ্খতাৰ) যুগত হাৰিছৰ পিতৃ ছোৱেদক হত্যা কৰিছিল। যেতিয়া আঁহজৰত (ছাঃ) য়ে মদিনালৈ আহে তেতিয়া হাৰিছ আৰু মজ্জৰ দুয়োজনে মুছলমান হৈছিল। কিন্তু হাৰিছ সদায় মজ্জৰক পিতৃ হত্যাৰ পুতক তুলিবলৈ হত্যা কৰাৰ সুযোগ বিচাৰি ফুৰিছিল। সচাঁকৈয়ে গৈ অহুদৰ যুদ্ধত সুযোগ পাই হাৰিছে, মজ্জৰ (ৰাঃ) ক শ্বহীদ কৰি দিছিল। ইয়াৰ বিচাৰত আঁহজৰত (ছাঃ) য়ে হজৰত আওয়েম বিন ছাআদা (ৰাঃ)ক আদেশ দিছিল যে হাৰিছক হত্যা কৰি পেলোৱা হওঁক। হজৰত আওয়েম বিন ছআদাহ (ৰাঃ) ৰছুলুল্লাহ (ছাঃ) ৰ জীৱন কালতেই মৃত্যুবৰণ কৰিছিল।

ইয়াৰ পিছত আন এজন চাহাবী যাৰ বিষয়ে উল্লেখ কৰিম তেখেতৰ নাম আছিল হজৰত নুমান বিন ছুত্ৰান (ৰাঃ)। আনছাৰৰ কবিলা খজৰজৰ এটা গোত্ৰ বণু নুমানৰ সৈতে এখেত (ৰাঃ) ৰ সম্পৰ্ক আছিল। হজৰত নুমান বিন ছুনান (ৰাঃ) য়ে বদৰৰ যুদ্ধ আৰু অহুদৰ যুদ্ধত যোগদান কৰাৰ তৌফিক লাভ কৰিছিল।

ইয়াৰ পিছত উল্লেখ কৰিম আন এজন চাহাবীৰ নাম, সেইজন হল হজৰত আন্তৰা মওলা ছলিম (ৰাঃ)। হজৰত আন্তৰা বদৰৰ যুদ্ধ আৰু অহুদৰ যুদ্ধত যোগদান কৰি অহুদৰ দিনা শ্বাহাদত বৰণ কৰিছিল। কিন্তু আন এটা বৰ্ণনা অনুযায়ী হজৰত

আন্তৰা (ৰাঃ) হজৰত আলি (ৰাঃ)ৰ খিলাফত কালত সংগঠিত হোৱা চফিনৰ যুদ্ধত চন ৩৭ হিজৰিত শ্বাহাদত বৰণ কৰিছিল।

আন এজন চাহাবীৰ নাম, আছিল হজৰত নুমান বিন ইবাদ উমৰু (ৰাঃ)। আনছাৰৰ কবিলা খজৰজৰ এটা শাখা বণু দিনাৰ বিন নজাৰ গোত্ৰৰ সৈতে এখেত (ৰাঃ) ৰ সম্পৰ্ক আছিল। হজৰত নুমান বিন ইবাদ উমৰু (ৰাঃ) য়ে বদৰ আৰু অহুদৰ যুদ্ধত অংশগ্ৰহন কৰিছিল আৰু অহুদৰ দিনাই শ্বাহাদত বৰণ কৰিছিল। হজৰত নুমান আৰু হজৰত জোহাকৰ আৰু এজন ভাই আছিল, যাৰ নাম আছিল কুতবা। কুতবা (ৰাঃ)য়েও আঁহজৰত (ছাঃ) ৰ চাহাবী হোৱাৰ সৌভাগ্য লাভ কৰিছিল। বীৰে মাওনাৰ ঘটনাত হজৰত কুতবা (ৰাঃ) য়ে শ্বহীদ হৈছিল। মহম্মদ বিন ছাআদ বিন আবি উকাছৰ পৰা বৰ্ণিত আছে যে ৰছুলে কৰিম (ছাঃ) য়ে এবাৰ বণু দিনাৰ গোত্ৰৰ এজনী মহিলাৰ কাযেদি গৈ আছিল, যাৰ গিৰিহঁত ভাই, পিতৃ ৰছুলুল্লাহ (ছাঃ) ৰ সৈতে অহুদৰ যুদ্ধত অংশ গ্ৰহন কৰিছিল আৰু সকলোৱেই শ্বহীদ হৈছিল। এই বিষয়ে যেতিয়া সেই মহিলাজনীৰ লগত শোক প্ৰকাশ কৰি সমবেদনা জ্ঞাপন কৰা হৈছিল তেতিয়া তাই সুধিছিল ৰছুলুল্লাহ (ছাঃ) ৰ অৱস্থা কেনে আছে ? তেতিয়া লোকে উত্তৰ দিছিল যে তেখেত (ছাঃ) য়ে ঠিকেই আছে। হে উম্মে অমুকা; আলহামদু লিল্লাহ, তেনেকুৱাই আছে, যেনেকুৱা তুমি কামনা কৰা, তেতিয়া সেই মহিলাজনীয়ে কৈছিল মোক দেখুওৱা, মই তেখেত (ছাঃ) ক চাব বিচাৰো। ইয়াৰ পিছত সেই মহিলাজনীক ৰছুলুল্লাহ (ছাঃ) ফালে ইংগিতেৰে দেখুওৱা হৈছিল। যেতিয়া তাই আঁহজৰত (ছাঃ) ক দেখিছিল, তাই কৈছিল,সকলো বিপদ তেখেত (ছাঃ) বাদে অতি সাধাৰণ। আন এটা ৰোৱায়েতত উল্লেখ পোৱা যায় যে উক্ত মহিলাজনীৰ এজন পুত্ৰও অহুদৰ দিনা শ্বহীদ হৈছিল। উক্ত মহিলাজনীৰ নাম আছিল ছমিৰা বিনতে কায়েছ আৰু হজৰত নুমান বিন ইবাদ উমৰু (ৰাঃ) হজৰত ছমিৰা বিনতে কায়েছ (ৰাঃ) ৰেই পুত্ৰ আছিল।

হজৰত মুছলেহ মাওউদ (ৰাঃ) য়ে এঠাইত এই ঘটনাৰ বিৱৰণী উল্লেখ কৰিছে। মইও এই উদাহৰণ কেইবাবাৰ বৰ্ণনা কৰিছো। এই ঘটনা প্ৰত্যেক মজলিচত বৰ্ণনা যোগ্য আৰু এয়া মনত ৰাখিবলগীয়া বিষয়। হজৰত মুছলেহ মাওউদ (ৰাঃ) য়ে কৈছে যে এয়া এনেকুৱা এটা সুন্দৰ দৃষ্টান্ত যে কোনো ইতিহাসেই ইয়াৰ তুলনাত কোনো দৃষ্টান্ত আগবঢ়াব নোৱাৰে। গতিকে কোৱা ! যদি এনেকুৱা লোকৰ সম্পৰ্কে এয়া কোৱা নহয় যে “মিনকুম মানকাজা নাহবাহু” তেন্তে আৰু নো কোন সম্প্ৰদায় আছে যাৰ সম্পৰ্কে এই শব্দবোৰ কোৱা যাব ? হজৰত মুছলেহ মাওউদ (ৰাঃ) য়ে কৈছে যে “ মই যেতিয়া এই মহিলাজনীৰ ঘটনা পঢ়ো তেতিয়া মোৰ অন্তৰখন তাইলৈ আদৰ সন্মানেৰে ভৰি পৰে আৰু মোৰ মনে বিচাৰে যে মই সেই পবিত্ৰ ৰমনী গৰাকীৰ আঁচল ছুই লওঁ আৰু সেই হাত নিজৰ চকুত লগাওঁ যে তাই মোৰ প্ৰিয় সখাৰ নিমিত্তে নিজৰ মৰমৰ এটা দৃষ্টান্তবিহীন স্মৃতি এৰি থৈ গৈছে।

আকৌ হজৰত মুছলেহ মাওউদ (ৰাঃ) য়ে কৈছে যে আঁহজৰত (ছাঃ) য়ে নিজৰ চাহাবা সকলৰ অন্তৰত এনেকুৱা প্ৰেমৰ জন্ম দিছিল যে তেওঁলোকে তেখেত (ছাঃ) ৰ তুলনাত কোনো বস্তুকেই মূল্য দিয়া নাছিল। কিন্তু এই প্ৰেম ভালপোৱাৰ এটাই মাত্ৰ কাৰণ আছিল যে তেখেত (ছাঃ) খোদা তায়ালাৰ প্ৰেমাস্পদ আছিল। আঁহজৰত (ছাঃ) ৰ সৈতে যদি ভাল পোৱা আছিল তেন্তে মাত্ৰ এই কাৰণতেই আছিল যে তেখেত (ছাঃ) খোদা তায়ালাৰ প্ৰিয় আছিল। আকৌ তেখেত (ৰাঃ) কৈছে যে সেই লোকসকল (চাহাবা সকল) আচলতে খোদা তায়ালাৰ প্ৰেমী আছিল আৰু যিহেতু খোদা তায়ালা মহম্মদ ৰছুলুল্লাহ (ছাঃ) ক ভাল পাইছিল, সেয়ে তেখেত (ছাঃ) ৰ চাহাবা সকলে তেখেত (ছাঃ) ক ভাল পাইছিল। ইয়াৰ পিছত আকৌ তেখেত (ৰাঃ) য়ে কৈছে যে সেই পাক ৰমনীৰ গৰাকীৰ বিষয়ে বৰ্ণনাৰলৈ গৈ কৈছে যে এই ভালপোৱা আছিল যি খোদা তায়ালা আঁহজৰত (ছাঃ) লৈ তেওঁলোকৰ অন্তৰত জন্মাই দিছিল। কিন্তু এয়া সত্ত্বেও তেওঁলোকে খোদা তায়ালাৰ প্ৰাধান্যতা সকলো বস্তুৰ ওপৰত স্থান দিছিল আৰু এয়াই আছিল তৌহিদ যিয়ে তেওঁলোকক জগতৰ সকলো ঠাইতে বিজয়ী কৰিছিল। তেওঁলোকে খোদা তায়ালাৰ সন্মুখত পিতৃ, মাতৃ, ভাই-ভনী, পতি-পত্নী লৈ ভ্ৰুক্ষেপ কৰা নাছিল। তেওঁলোকৰ অন্তৰত এটাই বস্তু আছিল, সেয়া হল তেওঁলোকৰ খোদা যেন তেওঁলোকৰ ওপৰত সন্তুষ্ট থাকে। এই উদ্দেশ্যই আল্লাহ তায়ালা তেওঁলোকৰ নিমিত্তে ৰাজি আল্লাহু আনহুম বুলি উল্লেখ কৰিছে। কিন্তু এখেত (ৰাঃ) য়ে কৈছে যে সময়ৰ লগে লগে পিছত গৈ মুছলমান সকলৰ এই অৱস্থা নোহোৱা হল আৰু এতিয়া যদি এওঁলোকৰ আল্লাহ তায়ালাৰ সৈতে সম্পৰ্ক আছে তেন্তে সম্ভৱত সেয়া মাত্ৰ মগজুতহে। মস্তিষ্কত অৱশ্য আছে যে আমি আল্লাহ তায়ালাক মান্য কৰো, তৌহিদৰ ওপৰত বিশ্বাসী। কিন্তু মন, অন্তৰত একো নাই। যদি সিহঁতৰ আগত ৰছুলে কৰিম (ছাঃ) ৰ বিষয়ে কোনো আলোচনা কৰা হয় তেন্তে সিহঁতৰ মনত ক্ষণিকৰ বাবে ভালপোৱাৰ উদয়

হয়। ৰছুলে পাক (ছাঃ) ৰ আত্মীয় সকলৰ কোনো ঘটনা শুনিলেও এওঁলোকৰ অন্তৰ ক্ষণিকৰ বাবে ভালপোৱাত অভিভূত হৈ পৰে। ছিয়া ছুন্নী সকলোৱেই আঁহজৰত (ছাঃ) আৰু তেখেতৰ সন্তান আদিৰ ঘটনা শুনিলে ব্যাকুল হৈ পৰে। কিন্তু আল্লাহ তায়ালাৰ বিষয়ে কিবা শুনিলে মুছলমান সকলৰ অন্তৰখন লৰচৰ নকৰে। গতিকে আঁহজৰত (ছাঃ) ৰ দৰে নিয়ামত খোদা তায়ালা আমাক দিছিল। আল্লাহ তায়ালাৰ নামতওঁ আমাৰ অন্তৰত কম্পনৰ জন্ম হোৱা উচিত কাৰণ আচল কৃতকাৰ্যতা আল্লাহ তায়ালাৰ ভালপোৱাৰ মাজেৰেহে লাভ কৰিব পৰা যাব। তৌহিদৰ ওপৰত প্ৰতিষ্ঠিত থাকিলেহে এয়া লাভ হব। গতিকে এই বস্তুটোৱে হল বুনিয়াদী নীতি, যি আমি প্ৰত্যেকেই মনত ৰখা উচিত। আল্লাহ তায়ালা আমাক নিজৰ নিজৰ অন্তৰত আল্লাহ আৰু ৰছুলৰ প্ৰকৃত প্ৰেম আৰু তাৰ শুদ্ধ বিশ্বাস জন্মোৱাৰ দান কৰক।

হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে -যেতিয়া মই নাজিৰে আলা হিচাপে নিযুক্ত হৈছিলো, তেতিয়া মৰহুম চাহাবে বৰ বিনয়েৰে নিজামে জামাতৰ সন্মান বজাই ৰাখি মোৰ সৈতে সকলো ধৰণৰ আনুগত্য আৰু সন্মানৰ আচৰণ কৰিছিল। আল্লাহ তায়ালা তেখেতৰ মৰ্যাদা উন্নীত কৰি ক্ষমাৰ আচৰণ প্ৰদৰ্শন কৰক। তেখেতৰ লৰা-ছোৱালীক তেখেতৰ নেকি জাৰি ৰখাৰ তৌফিক দান কৰক।

দ্বিতীয় জানাজা হল খলিফা আব্দুল আজিজ চাহাব (নায়েব আমিৰ জমাত কানাজা) ৰ জানাজা। ২০১৯ চনৰ ৯ জুলাইত হৃদ ৰোগত আক্ৰান্ত হৈ ৮৪ বছৰ বয়সত মৃত্যুবৰণ কৰিছে। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিঊন। এখেতৰ বৰ হাঁহিমুখ, সহানুভূতিশীল, বুদ্ধিমও, সঠিক সিদ্ধান্তকাৰী, নেক, আনুগত্যশীল মানুহ আছিল। শৰীৰ অসুস্থ থকা সত্ত্বেও নিজৰ দায়িত্ব শেষ সময়লৈকে বৰ দক্ষতাৰে পালন কৰি গৈছে। খিলাফতৰ সৈতে এখেতৰ গভীৰ সম্পৰ্ক আছিল। আল্লাহ তায়ালাৰ কৃপাত মুচি আছিল। আল্লাহ তায়ালা এখেতৰ সৈতে ক্ষমা প্ৰদৰ্শন কৰি সকলো ফালেৰে মৰ্যাদা দান কৰক। মৰহুমৰ আত্মীয় স্বজনক ধৈৰ্য আৰু সাহস দান কৰি তাৰ নেকি জাৰি ৰখাৰ তৌফিক দান কৰক। (আমিন)

**********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 19 JULY.. 2019**

**To**

---------------------------------------------------------------------------

---------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**